# গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

(২০০৫ৰ সংখ্যা ৪৩)

[১৩ চেপ্তেম্বৰ, ২০০৫]

**সংবিধানৰ অধীনত প্ৰত্যাভূত মহিলাৰ অধিকাৰৰ অধিক প্ৰভাৱমূলক সুৰক্ষাৰ বাবে যি সকল পৰিয়ালৰ ভিতৰত ঘটা যিকোনো ধৰণৰ অত্যাচাৰৰ বলি হয় আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ সৈতে আনুষঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।**

**ভাৰত গণৰাজ্যৰ পঞ্চষষ্ঠতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ–**

## অধ্যায় – I
## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখন গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫ বুলি অভিহিত হব ।

(২) জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে ই সমগ্ৰ ভাৰততে বিস্তৃত হব ।

(৩) ই এনে তাৰিখত বলবৎ হব যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে ।

পৰিভাষা।

২।এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে –

(ক) ''ক্ষোভিত ব্যক্তি'' মানে কোনো মহিলা যি প্ৰতিবাদীৰ সৈতে পাৰিবাৰিক সম্বন্ধত থাকে বা সম্বন্ধিত হৈছে আৰু যিয়ে প্ৰতিবাদীৰ দ্বাৰা পাৰিবাৰিক অত্যাচাৰৰ কোনো কাৰ্য্যত কষ্ট ভোগ কৰিছে বুলি অভিযোগ কৰে ;

(খ) ''শিশু'' মানে ওঠৰ বছৰ বয়সৰ তলৰ কোনো ব্যক্তি আৰু ই কোনো তোলনীয়া, সতিয়া বা প্ৰতিপালিত শিশুক অন্তৰ্ভুক্ত কৰে ;

(গ) ''ক্ষতিপূৰণ আদেশ '' মানে ধাৰা ২২ৰ নিবন্ধন অনুসাৰে মঞ্জুৰ কৰা কোনো আদেশ ;

(ঘ) ''অভিৰক্ষা আদেশ'' মানে ধাৰা ২১ৰ নিবন্ধন অনুসাৰে মঞ্জুৰ কৰা কোনো আদেশ ;

(ঙ) ''গাৰ্হস্থ্য ঘটনাৰ প্ৰতিবেদন'' মানে কোনো ক্ষোভিত ব্যক্তিৰ পৰা গাৰ্হস্থ্য অত্যাচাৰৰ অভিযোগৰ প্ৰাপ্তিত বিহিত প্ৰপত্ৰত দিয়া কোনো প্ৰতিবেদন ;

(চ) ''গাৰ্হস্থ্য সম্বন্ধ'' মানে দুজন ব্যক্তিৰ মাজত থকা কোনো সম্বন্ধ, যেতিয়া তেওঁলোকে কোনো সময়ত কোনো যৌথ গৃহস্থালিত একেলগে বাস কৰে বা থাকে, যেতিয়া তেওঁলোক নিকট আত্মীয়তা, বিবাহৰ দ্বাৰা বা বিবাহ, দত্তক গ্ৰহণ প্ৰকৃতিৰ এটা সম্পৰ্কৰ মাধ্যমেৰে সম্বন্ধিত হয়, বা পৰিয়ালৰ সদস্যসকল, কোনো যৌথ পৰিয়ালৰ দৰে একেলগে বাস কৰে ;

(ছ) ''গাৰ্হস্থ্য অত্যাচাৰ'' ৰ ধাৰা ৩ত ন্যস্ত কৰা দৰে একেই অৰ্থ হয় ;

১৯৬১ৰ ২৮ (জ) ''যৌতুক'' ৰ যৌতুক নিষিদ্ধ অধিনিয়ম, ১৯৬১ৰ ধাৰা ২ত ইয়ালৈ ন্যস্ত কৰা দৰে একে অৰ্থ হব ;

(ঝ) ''দণ্ডাধীশ'' মানে য'ত ক্ষোভিত ব্যক্তিয়ে অস্থায়ীভাৱে বা অন্যথা বাস কৰা অঞ্চলত বা

১৯৭৪ৰ ২ প্ৰতিবাদীয়ে বসবাস কৰা অঞ্চলত বা গাৰ্হস্থ্য অত্যাচাৰ সংগঠিত হোৱা বুলি অভিকথিত হোৱা কোনো স্থানত দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত অধিকাৰিতাত থকা প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ বা যথাস্থিতি মহানগৰ দণ্ডাধীশ ;

(ঞ) " চিকিৎসা সুবিধা " মানে এনে সুবিধা যিদৰে এই অধিনিয়মৰ প্ৰয়োজনার্থে চিকিৎসা সুবিধা বুলি ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা হয় ;

(ট) "আৰ্থিক সাহায্য" মানে ক্ষতিপূৰণ, যিটো দণ্ডাধীশে, গাৰ্হস্থ্য অত্যাচাৰৰ ফলস্বৰূপে ক্ষোভিত ব্যক্তিৰ দ্বাৰা উপগত আৰু ক্ষতি হোৱা ব্যয় বহন কৰিবলৈ এই অধিনিয়মৰ অধীনত কোনো সাহায্য বিচাৰি আবেদনৰ শুনানীৰ কোনো স্তৰত ক্ষোভিত ব্যক্তিক আদায় দিবলৈ প্ৰতিবাদীক আদেশ দিব পাৰে ;

(ঠ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কোনো অধিসূচনা আৰু "অধিসূচিত"ৰ তদনুসাৰে অৰ্থ হব ;

(ড) "বিহিত " মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ঢ) "সুৰক্ষা পদাধিকাৰী" মানে ধাৰা ৮ৰ উপধাৰা (১)ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা নিযুক্ত কোনো পদাধিকাৰী ;

(ণ) "সুৰক্ষাৰ আদেশ" মানে ধাৰা ৮ৰ নিবন্ধনত দিয়া কোনো আদেশ ;

(ত) "নিবাস আদেশ" মানে ধাৰা ১৯ৰ উপধাৰা (১)ৰ নিবন্ধনত মঞ্জুৰ কৰা কোনো আদেশ;

(থ) "প্ৰতিবাদী" মানে কোনো প্ৰাপ্তবয়স্ক পুৰুষ ব্যক্তি যিজন কোনো ক্ষোভিত ব্যক্তিৰ সৈতে গাৰ্হস্থ্য সম্বন্ধিত হয় বা হৈছে আৰু যাৰ বিৰুদ্ধে ক্ষোভিত ব্যক্তিয়ে এই অধিনিয়মৰ অধীনত কোনো সাহায্য বিচাৰিছিল ঃ

পৰন্তু বিবাহ স্বৰূপ সম্বন্ধত বসবাস কৰা কোনো ক্ষোভিত পত্নী বা মহিলাইও স্বামী বা পুৰুষ সঙ্গীৰ কোনো আত্মীয়ৰ বিৰুদ্ধে এটা অভিযোগ দাখিল কৰিব পাৰে ;

(দ) "সেৱা উপবন্ধকাৰী" মানে ধাৰা ১০ৰ উপধাৰা (১)ৰ অধীনত পঞ্জীভুক্ত কোনো একক ব্যক্তি ;

(ধ) "যৌথ গৃহস্থালি" মানে এখন গৃহস্থালি য'ত ক্ষোভিত ব্যক্তিয়ে, অকলে বা প্ৰতিবাদীৰ সৈতে একেলগে কোনো গাৰ্হস্থ্য সম্বন্ধত বাস কৰে বা কোনো স্তৰত বাস কৰিছে আৰু ই, ক্ষোভিত ব্যক্তি আৰু প্ৰতিবাদীৰ দ্বাৰা যুটীয়াভাৱে অধিকাৰী হোৱা বা ভাড়া দিয়া বা তেওঁলোকৰ ভিতৰত যি কোনো এজনৰ দ্বাৰা অধিকাৰী হোৱা বা ভাড়া দিয়া যাৰ সম্বন্ধত ক্ষোভিত ব্যক্তি বা প্ৰতিবাদী বা উভয়ে যৌথভাৱে বা এককভাৱে কোনো অধিকাৰ, স্বত্ব, স্বাৰ্থ বা ক্ষমতা থাকে, সেইবোৰক অন্তৰ্ভুক্ত কৰে আৰু ই এনে এটা গৃহস্থালিক অন্তৰ্ভুক্ত কৰে, যিটোৱেই এটা যৌথ পৰিয়ালৰ অন্তৰ্গত হয় যিটোৰ প্ৰতিবাদীজন, সদস্য বা ক্ষোভিত ব্যক্তিৰ নিৰ্বিশেষে যিয়ে নহওঁক অংশীদাৰী গৃহস্থালিত কোনো অধিকাৰ, স্বত্ব বা স্বাৰ্থ থাকে ;

(ন) "আশ্ৰয় গৃহ" মানে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে এটা আশ্ৰয় গৃহ বুলি ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা কোনো আশ্ৰয় গৃহ ;

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

অধ্যায় – II

### গাৰ্হস্থ্য অত্যাচাৰ

গাৰ্হস্থ্য অত্যাচাৰৰ পৰিভাষা।

৩। এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে প্ৰতিবদীৰ কোনো কাৰ্য্য, ক্ৰটী, বা সংঘটন বা পৰিচালনাই গাৰ্হস্থ্য অত্যাচাৰৰ সৃষ্টি কৰিব,যদিহে ই –

(ক) কোনো ক্ষোভিত ব্যক্তিৰ স্বাস্থ্য, সুৰক্ষা, জীৱন, অঙ্গ প্ৰতঙ্গ বা কল্যাণক শাৰিৰীকভাৱেই হওঁক বা মানসিকভাৱেই হওঁক আঘাত, ক্ষতি বা বিপদাপন্ন কৰে বা এনে কৰিবলৈ অভিপ্ৰেত কৰে, আৰু ই শাৰিৰীক নিৰ্যাতন কৰা, যৌন নিৰ্যাতন কৰা, মৌখিকভাৱে আৰু আনুভূতিকভাৱে নিৰ্যাতন কৰা আৰু অৰ্থনৈতিক ভাৱে নিৰ্যাতন কৰাক অন্তৰ্ভুক্ত কৰে ; বা

(খ) কোনো যৌতুক বা আন সম্পত্তি বা মূল্যবান প্ৰতিভূতিৰ বাবে কোনো অবিধিপূৰ্ণ দাবী পূৰণ কৰিবলৈ তেওঁ বা তেওঁৰ সম্বন্ধিত কোনো আন ব্যক্তিক নিপীড়িত কৰাৰ উদ্দেশ্যে কোনো ক্ষোভিত ব্যক্তিক বিব্ৰত, আঘাত, ক্ষতি বা বিপদাপন্ন কৰে ; বা

(গ) খণ্ড (ক) বা খণ্ড (খ)ত উল্লিখিত কোনো আচৰণৰ দ্বাৰা ক্ষোভিত ব্যক্তিৰ বা তেওঁৰ সম্বন্ধিত কোনো ব্যক্তিৰ ভীতি প্ৰদৰ্শনৰ প্ৰভাৱ থাকে ; বা

(ঘ) ক্ষোভিত ব্যক্তিক শাৰিৰীকভাৱেই হওঁক বা মানসিকভাৱেই হওঁক অন্যথা ক্ষতি বা আঘাত কৰে।

**স্পষ্টীকৰণ** ১ – এই ধাৰাৰ প্ৰয়োজনাৰ্থে –

(i) ''শাৰিৰীক নিৰ্যাতন'' মানে এনে প্ৰকৃতিৰ কোনো কাৰ্য্য বা আচৰণ যিয়ে ক্ষোভিত ব্যক্তিক শাৰিৰীক দুখ বা আঘাত দিয়ে বা জীৱন, অঙ্গ প্ৰত্যঙ্গ বা স্বাস্থ্য বিপদাপন্ন কৰে বা স্বাস্থ্য বা বিকাশত হানি কৰে আৰু ই আক্ৰমণাত্মক কাৰ্য্য, আপৰাধিক ভীতি প্ৰদৰ্শন আৰু আপৰাধিক বল অন্তৰ্ভুক্ত কৰে।

(ii) ''যৌন নিৰ্যাতনে'' কোনো যৌন প্ৰকৃতিৰ আচৰণক অন্তৰ্ভুক্ত কৰে যিয়ে কোনো মহিলাৰ সন্মানক অসৎ ব্যৱহাৰ কৰে, অপদস্থ কৰে বা মৰ্যাদা হানি কৰে বা অন্যথা উলঙ্ঘণ কৰে ;

(iii) ''মৌখিক আৰু আনুভূতিক নিৰ্যাতনে'', –

(ক) অপমান, উপহাস, অপদস্থ কৰা, নিন্দা কৰা আৰু বিশেষভাৱে সন্তানবিহীন বা ল'ৰা সন্তান নোহোৱাৰ বিষয়ত অপমান বা উপহাস কৰাক অন্তৰ্ভুক্ত কৰে ; আৰু

(খ) ক্ষোভিত ব্যক্তিৰ স্বাৰ্থ জড়িত থকা কোনো ব্যক্তিক শাৰিৰীক দুখ দিবলৈ পুনৰ ভীতি প্ৰদৰ্শন কৰে।

(iv) ''আৰ্থিক নিৰ্যাতনে'' নিম্নলিখিত সমূহক অন্তৰ্ভুক্ত কৰে –

(ক) আৰ্থিক বা বিত্তীয় উৎসৰ সকলো বা যিকোনোটোৰ বঞ্চিত কৰাক অন্তৰ্ভুক্ত কৰে য'লৈ ক্ষোভিত ব্যক্তি ন্যায়ালয়ৰ আদেশৰ অধীনত বা অন্যথাই দেয় হওঁক বা নহওঁক কোনো বিধি বা প্ৰথাৰ অধীনত হকদাৰ হয় বা য'ত ক্ষোভিত ব্যক্তিয়ে তেওঁৰ দ্বাৰা যৌথভাৱে বা পৃথকভাৱে আৰ্জিত স্ত্ৰীধন, সম্পত্তি যদি কিবা থাকে, ক্ষোভিত ব্যক্তি আৰু তেওঁৰ সন্তানৰ বাবে গৃহস্থালিত আৱশ্যকতা থকা কিন্তু সীমিত নোহোৱাক অন্তৰ্ভুক্ত কৰি আৱশ্যকতাৰ বাহিৰত অংশীদাৰী গৃহস্থালিত আৰু ৰক্ষণাবেক্ষণৰ লগত সম্পৰ্কিত ভাড়াৰ আদায় অপেক্ষিত কৰে।

(খ) অস্থাৱৰেই হওঁক বা স্থাৱৰেই হওঁক গৃহস্থালিৰ বয়বস্তু, কোনো পৰিসম্পত্তিৰ হস্তান্তৰকৰণ, মূল্যবাণ, অংশ, জমানত, খতপত্ৰ আৰু একে ধৰণৰ বা আন সম্পত্তি য'ত ক্ষোভিত ব্যক্তিৰ স্বাৰ্থ থাকে বা

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

গাৰ্হস্থ্য সম্পৰ্কৰ বলত ব্যৱহাৰ কৰিবলৈ হকদাৰ হয় বা যিটো ক্ষোভিত ব্যক্তি বা তেওঁৰ সন্তানৰ দ্বাৰা যুক্তিসঙ্গত ভাৱে অপেক্ষিত হয় বা ক্ষোভিত ব্যক্তিৰ দ্বাৰা তেওঁৰ স্ত্ৰীধন বা কোনো আন সম্পত্তি যুটীয়াভাৱে বা পৃথকভাৱে ধাৰণ কৰিব পাৰে ; আৰু

(গ) সম্পদ বা সা–সুবিধাৰ নিৰন্তৰ প্ৰৱেশ কৰিবলৈ নিষিদ্ধকৰণ বা নিৰ্বন্ধন যিটো ক্ষোভিত ব্যক্তিয়ে, যৌথ গৃহস্থালিত প্ৰৱেশকৰণক অন্তৰ্ভুক্ত কৰি গাৰ্হস্থ্য সম্বন্ধৰ বলত ব্যৱহাৰ বা উপভোগ কৰিবলৈ হকদাৰ হয়।

**স্পষ্টীকৰণ ২** – এই ধাৰাৰ অধীনত প্ৰতিবাদীৰ কোনো কাৰ্য্য, লোপকৰণ, সংঘটন বা আচৰণৰ দ্বাৰা ''গাৰ্হস্থ্য অত্যাচাৰ'' সংঘটিত হৈছে নে নাই তাক নিৰ্দ্ধাৰণ কৰাৰ প্ৰয়োজনাৰ্থে, গোচৰটোৰ সমগ্ৰ তথ্য আৰু পৰিস্থিতি বিবেচনা কৰা হব।

### অধ্যায় – III

### সুৰক্ষা পদাধিকাৰী, সেৱা উপবন্ধকাৰী ইত্যাদিৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ

**সুৰক্ষা পদাধিকাৰীক তথ্য দিয়া আৰু তথ্যদাতাৰ দায়িত্বৰ বৰ্জন।**

৪। (১) কোনো ব্যক্তি যাৰ বিশ্বাস কৰিবলৈ কাৰণ থাকে যে কোনো গাৰ্হস্থ্য অত্যাচাৰ কৰা হৈছে বা হোৱাৰ সম্ভাৱনা আছে, তেওঁ সংশ্লিষ্ট সুৰক্ষা পদাধিকাৰীক এই বিষয়ে তথ্য দিব পাৰে।

(২) কোনো দায়িত্ব, চিভিল বা দাণ্ডিক, উপ–ধাৰা (১)ৰ প্ৰয়োজনাৰ্থে সদ্ বিশ্বাসত কোনো ব্যক্তিৰ দ্বাৰা কোনো তথ্য দিয়াৰ বাবে উপগত নহব।

**আৰক্ষী পদাধিকাৰী, সেৱা উপবন্ধকাৰী আৰু দণ্ডাধীশৰ কৰ্ত্তব্যসমূহ।**

৫। এজন আৰক্ষী পদাধিকাৰী, সুৰক্ষা পদাধিকাৰী, সেৱা উপবন্ধকাৰী বা দণ্ডাধীশ, যিয়ে কোনো গাৰ্হস্থ্য অত্যাচাৰৰ ঘটনাৰ স্থানত উপস্থিত হয় বা যেতিয়া গাৰ্হস্থ্য অত্যাচাৰৰ ঘটনা তেওঁক জনোৱা হয়, তেওঁ, ক্ষোভিত ব্যক্তিক, জনাব –

(ক) সুৰক্ষাৰ আদেশ, আৰ্থিক প্ৰতিকাৰৰ কোনো আদেশ, অভিৰক্ষা আদেশ, নিবাসৰ আদেশ, ক্ষতিপূৰণৰ বা এই অধিনিয়মৰ অধীনত এটাতকৈ অধিক আদেশৰ ব্যৱস্থাৰে প্ৰতিকাৰ প্ৰাপ্তিৰ বাবে এখন আবেদন কৰিবলৈ তেওঁ অধিকাৰৰ সূচনা দিব ;

(খ) সেৱা উপবন্ধকাৰীৰ সেৱাসমূহৰ সহজলভ্যতাৰ ;

(গ) সুৰক্ষা পদাধিকাৰীৰ সেৱাৰ সহজলভ্যতাৰ ;

১৯৮৭ ৰ ৩৯ — (ঘ) বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭ৰ অধীনত মুক্ত বিধিক সেৱাত তেওঁৰ অধিকাৰৰ ;

১৮৬০ ৰ ৪৫ — (ঙ) ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৪৯৮ক ৰ অধীনত য'তেই প্ৰাসঙ্গিক হয়, কোনো অভিযোগ দাখিল কৰিবলৈ তেওঁ অধিকাৰৰ সূচনা দিব ঃ

পৰন্তু এই অধিনিয়মত থকা কোনো কথাই সংজ্ঞেয় অপৰাধৰ সংগঠনৰ বিষয়ে সূচনা প্ৰাপ্তিত বিধি অনুসাৰে কাৰ্য্যবাহী চলাবলৈ কোনো ৰীতিত তেওঁৰ কৰ্ত্তব্যৰ পৰা এজন আৰক্ষী পদাধিকাৰীক ৰেহাই দিয়াৰ বিষয়ে অৰ্থ নকৰিব।

**আশ্ৰয় গৃহত কৰ্ত্তব্যসমূহ।**

৬। যদি কোনো ক্ষোভিত ব্যক্তি বা তেওঁৰ হকে সুৰক্ষা পদাধিকাৰী বা এজন সেৱা উপবন্ধকাৰীয়ে তেওঁক আশ্ৰয়ৰ উপবন্ধিত কৰিবলৈ আশ্ৰয়গৃহৰ ভাৰপ্ৰাপ্ত ব্যক্তিক অনুৰোধ কৰে, আশ্ৰয়গৃহত ভাৰপ্ৰাপ্ত এনে ব্যক্তিয়ে আশ্ৰয়গৃহত ক্ষোভিত ব্যক্তিৰ আশ্ৰয়ৰ উপবন্ধিত কৰিব।

**চিকিৎসা সুবিধা সমূহৰ কৰ্ত্তব্য সমূহ।**

৭। যদি কোনো ক্ষোভিত ব্যক্তি বা, তেওঁৰ হকে কোনো সুৰক্ষা পদাধিকাৰী বা সেৱাৰ উপবন্ধকাৰীয়ে, তেওঁলৈ কোনো চিকিৎসা সহায়ৰ উপবন্ধ কৰিবলৈ চিকিৎসা সুবিধাৰ ভাৰপ্ৰাপ্ত কোনো ব্যক্তিক অনুৰোধ কৰে চিকিৎসা সুবিধাৰ ভাৰপ্ৰাপ্ত এনে ব্যক্তিয়ে চিকিৎসা সুবিধাত ক্ষোভিত ব্যক্তিক চিকিৎসাৰ সুবিধা উপবন্ধ কৰিব।

সুৰক্ষা পদাধিকাৰীৰ নিযুক্তি।

৮। (১) ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা, প্ৰত্যেক জিলাত এনে সংখ্যক সুৰক্ষা পদাধিকাৰীক নিযুক্তি দিব যেনেদৰে ই আৱশ্যক বুলি বিবেচনা কৰে আৰু এনে এলেকা বা এলেকাসমূহো অধিসূচিত কৰিব যাৰ ভিতৰত এজন সুৰক্ষা পদাধিকাৰীয়ে, এই অধিনিয়মৰ দ্বাৰা বা অধীনত তেওঁলৈ অৰ্পিত ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু কৰ্ত্তব্যসমূহ সম্পাদন কৰিব।

(২) সুৰক্ষা পদাধিকাৰীসমূহ যিমান সম্ভৱ মহিলা হব আৰু বিহিত কৰা দৰে এনে অৰ্হতা আৰু অভিজ্ঞতা থাকিব।

(৩) সুৰক্ষা পদাধিকাৰী আৰু তেওঁৰ অধীনস্থ আন পদাধিকাৰীৰ সেৱাৰ অৱধি আৰু নিবন্ধন বিহিত কৰা ধৰণে এনে হব।

সুৰক্ষা পদাধিকাৰীৰ কৰ্ত্তব্য আৰু কৃত্য সমূহ।

৯। (১) সুৰক্ষা পদাধিকাৰীৰ,

(ক) এই অধিনিয়মৰ অধীনত দণ্ডাধীশক তেওঁৰ কাৰ্য্যসমূহৰ নিৰ্বহনত সহায় কৰিবলৈ কৰ্ত্তব্য হব;

(খ) গাৰ্হস্থ্য অত্যাচাৰৰ এটা অভিযোগ প্ৰাপ্তিত বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে ৰীতিত দণ্ডাধীশলৈ এটা গাৰ্হস্থ্য অত্যাচাৰৰ অভিযোগ দিব আৰু ইয়াৰ প্ৰতিলিপিসমূহ, আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী পদাধিকাৰীলৈ প্ৰেৰণ কৰিব যাৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত গাৰ্হস্থ্য অত্যাচাৰ সংঘটিত কৰা হৈছে বুলি অভিকথিত হৈছে, আৰু সেই অঞ্চলত থকা সেৱা উপবন্ধকাৰীলৈ প্ৰেৰণ কৰাটো কৰ্ত্তব্য হব।

(গ) দণ্ডাধীশলৈ বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে ৰীতিত আবেদন কৰিবলৈ কৰ্ত্তব্য হব যদিহে ক্ষোভিত ব্যক্তিয়ে, এটা সুৰক্ষা আদেশৰ জাৰীকৰণৰ বাবে সাহায্য দাবী কৰিবলৈ এনেদৰে ইচ্ছা কৰে;

১৯৮৭ৰ ৩৯

(ঘ) ক্ষোভিত ব্যক্তিক বিধিক সেৱা প্ৰাধিকৰণ অধিনিয়ম, ১৯৮৭ৰ অধীনত বিধিক সাহায্য উপবন্ধিত সুনিশ্চিত কৰাটো আৰু অভিযোগ কৰা প্ৰপত্ৰ বিনামূল্যে সহজলভ্য কৰিবলৈ সুনিশ্চিত কৰাটো কৰ্ত্তব্য হব ;

(ঙ) দণ্ডাধীশৰ অধিকাৰিতাৰ ভিতৰত স্থানীয় এলেকাত বিধিক সাহায্য বা পৰামৰ্শ আশ্ৰয়গৃহ আৰু চিকিৎসা সুবিধা উপবন্ধ কৰা সকলো সেৱা উপবন্ধকাৰীৰ তালিকা সংৰক্ষণ কৰিবলৈ কৰ্ত্তব্য হব ;

(চ) এটা সুৰক্ষিত আশ্ৰয়গৃহ সহজলভ্য কৰিবলৈ যদিহে ক্ষোভিত ব্যক্তিয়ে এনেদৰে অপেক্ষা কৰে আৰু ক্ষোভিত ব্যক্তিয়ে আশ্ৰয় গৃহত থকা তেওঁৰ প্ৰতিবেদনৰ এটা প্ৰতিলিপি, সেই এলেকাৰ অধিকাৰিতাত থকা আৰক্ষী চকীলৈ আৰু দণ্ডাধীশলৈ প্ৰেৰণ কৰিব য'ত আশ্ৰয়গৃহ অৱস্থিত হয় ;

(ছ) ক্ষোভিত ব্যক্তিক চিকিৎসা পৰীক্ষা কৰিবলৈ যদিহে তেওঁ শাৰিৰীক ভাৱে আঘাতপ্ৰাপ্ত হয় আৰু আৰক্ষী আৰু সেই এলেকাত অধিকাৰিতাত থকা দণ্ডাধীশলৈ চিকিৎসা প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰেৰণ কৰিব য'ত গাৰ্হস্থ্য অত্যাচাৰ কৰা হৈছে বুলি অভিকথিত স্থান হয়।

১৯৭৪ৰ ২

(জ) ধাৰা ২০ৰ অধীনত আৰ্থিক সাহায্যৰ বাবে দিয়া আদেশ, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত বিহিত প্ৰক্ৰিয়াৰ অনুসৰণ, অনুপালন আৰু নিষ্পাদন হোৱা সুনিশ্চিত কৰিবলৈ কৰ্ত্তব্য হব ;

(ঝ) বিহিত কৰা দৰে এনে আন কৰ্ত্তব্যসমূহ পালন কৰাটো কৰ্ত্তব্য হব।

(২) সুৰক্ষা পদাধিকাৰীজন দণ্ডাধীশৰ নিয়ন্ত্ৰণৰ আৰু পৰ্য্যবেক্ষণৰ অধীনত থাকিব আৰু দণ্ডাধীশ আৰু চৰকাৰৰ দ্বাৰা বা এই অধিনিয়মৰ দ্বাৰা বা অধীনত দণ্ডাধীশ আৰু চৰকাৰৰ দ্বাৰা তেওঁৰ ওপৰত আৰোপিত কৰা দৰে কৰ্ত্তব্যবোৰ সম্পাদন কৰিব।

# গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

সেৱা উপৱন্ধকাৰী। ১৮৬০ ৰ ২১ ১৯৫৬ ৰ ১

১০। (১) এই মৰ্ম্মে প্ৰণীত কৰা এনে নিয়মাৱলীৰ সাপেক্ষে, সমিতি পঞ্জীয়ন অধিনিয়ম ১৮৬০ ৰ অধীনত পঞ্জীভুক্ত কোনো স্বেচ্ছাধীন সংস্থা বা কোম্পানী অধিনিয়ম, ১৯৫৬ৰ অধীনত পঞ্জীভুক্ত কোনো কোম্পানী বা বিধিক সাহায্য, চিকিৎসা, বিত্তীয় বা আন সাহায্য উপবন্ধকৰণ বা আন সহায়তা অন্তৰ্ভুক্ত কৰি কোনো বিধিপূৰ্ণ ব্যৱস্থাৰে মহিলাৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষা উদ্দেশ্যমূলক তৎকালিন বলবৎ আন কোনো বিধিয়ে এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে এজন সেৱা উপবন্ধকাৰী ৰূপে ৰাজ্য চৰকাৰৰ সৈতে স্বয়ং পঞ্জীভুক্ত হব।

(২) উপ-ধাৰা (১)ৰ অধীনত পঞ্জীকৃত কোনো সেৱা উপবন্ধকাৰীৰ নিম্নলিখিত ক্ষমতাসমূহ থাকিব –

(ক) বিহিত প্ৰপত্ৰত গাৰ্হস্থ্য ঘটনাৰ প্ৰতিবেদনৰ নথিভুক্ত কৰিবলৈ যদিহে ক্ষোভিত ব্যক্তিয়ে এনেদৰে ইচ্ছা কৰে আৰু এই এলেকাত অধিকাৰিতা থকা দণ্ডাধীশ আৰু সুৰক্ষা পদাধিকাৰীলৈ প্ৰতিলিপি প্ৰেৰণ কৰিবলৈ য'ত গাৰ্হস্থ্য অত্যাচাৰ ঘটিছিল ;

(খ) ক্ষোভিত ব্যক্তিৰ চিকিৎসা পৰীক্ষা কৰা হৈছে আৰু চিকিৎসা প্ৰতিবেদনৰ এটা প্ৰতিলিপি গাৰ্হস্থ্য অত্যাচাৰ হোৱা স্থানৰ স্থানীয় সীমাৰ ভিতৰত থকা সুৰক্ষা পদাধিকাৰী আৰু আৰক্ষী থানালৈ প্ৰেৰণ কৰিবলৈ সুনিশ্চিত কৰিব ;

(গ) ক্ষোভিত ব্যক্তিক আশ্ৰয়গৃহত আশ্ৰয় উপবন্ধক সুনিশ্চিত কৰিব যদিহে তেওঁ এনেদৰে অপেক্ষা কৰে আৰু ক্ষোভিত ব্যক্তিয়ে আশ্ৰয় গৃহত থকাৰ প্ৰতিবেদন, গাৰ্হস্থ্য অত্যাচাৰ সংঘটিত হোৱা স্থানৰ স্থানীয় সীমাৰ ভিতৰত থকা আৰক্ষী চকীলৈ প্ৰেৰণ কৰিব ;

(৩) কোনো বাদ, অভিযোগ বা আন বিধিক কাৰ্য্যবাহী যিয়ে গাৰ্হস্থ্য অত্যাচাৰ সংঘটন বাৰণৰ বাবে এই অধিনিয়মৰ অধীনত ক্ষমতাৰ কাৰ্যকৰী বা কাৰ্যসমূহৰ নিৰ্বহনত সদ্ বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে এই অধিনিয়মৰ অধীনত কাৰ্য্য কৰি থকা বা কাৰ্য্য কৰিবলৈ তাৎপৰ্য্যিত হোৱা কোনো সেৱা উপবন্ধকাৰী বা সেৱা উপবন্ধকাৰীৰ কোনো সদস্যৰ বিৰুদ্ধে নচলিব।

চৰকাৰৰ কৰ্ত্তব্য সমূহ।

১১। কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে, নিম্নলিখিতসমূহ সুনিশ্চিত কৰিবলৈ ব্যৱস্থা লব –

(ক) এই অধিনিয়মৰ উপবন্ধাৱলীক এটা নিয়মিত সময়ৰ ব্যৱধানত দূৰদৰ্শন, অনাতাঁৰ আৰু ছপাৰ মাধ্যমক অন্তৰ্ভুক্ত কৰি ৰাজহুৱা প্ৰচাৰ কৰিব;

(খ) আৰক্ষী পদাধিকাৰী আৰু ন্যায়িক সেৱাৰ সদস্যসকলক অন্তৰ্ভুক্ত কৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পদাধিকাৰীসকলক এই অধিনিয়মৰ দ্বাৰা সমাবেদন কৰা বিষয়সমূহৰ ওপৰত সাময়িক সক্ৰিয়কৰণ আৰু সচেতনতাৰ প্ৰশিক্ষণ দিয়া হব ;

(গ) গাৰ্হস্থ্য অত্যাচাৰৰ বিষয়সমূহক সমাবেদন জনাবলৈ বিধি আৰু আদেশ, স্বাস্থ্য আৰু মানৱ উৎসক অন্তৰ্ভুক্ত কৰি বিধি, গৃহ বিভাগৰ সৈতে সংব্যৱহৃত ব্যৱস্থা কৰা সংশ্লিষ্ট মন্ত্ৰালয় আৰু বিভাগসমূহৰ দ্বাৰা উপবন্ধিত সেৱাসমূহৰ মাজত প্ৰভাৱমূলক সমন্বয় স্থাপন কৰা আৰু একেবোৰৰ সাময়িক পুনৰ বিলোকণ পৰিচালনা কৰা ;

(ঘ) ন্যায়ালয়ক অন্তৰ্ভুক্ত কৰি এই অধিনিয়মৰ অধীনত মহিলাৰ সেৱাসমূহৰ পৰিদানৰ সৈতে সংশ্লিষ্ট বিভিন্ন মন্ত্ৰালয়সমূহৰ বাবে ন্যায়াচাৰ প্ৰস্তুত কৰা আৰু স্থানত ৰখা।

# গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

## অধ্যায় – IV

## সাহায্যৰ আদেশ লাভৰ প্ৰক্ৰিয়া

দণ্ডাধীশলৈ কৰা আবেদন। ১২। (১) কোনো ক্ষোভিত ব্যক্তিৰ হকে কোনো ক্ষোভিত ব্যক্তি বা কোনো সুৰক্ষা পদাধিকাৰী বা কোনো আন ব্যক্তিয়ে দণ্ডাধীশলৈ এই অধিনিয়মৰ অধীনত এটা বা ততোধিক সাহায্য বিচাৰি এখন আবেদন উপস্থাপন কৰিব পাৰে ঃ

পৰন্তু এনে আবেদনত কোনো আদেশ পাৰিত কৰাৰ পূৰ্ব্বে, দণ্ডাধীশে, সুৰক্ষা পদাধিকাৰী বা সেৱা উপবন্ধকাৰীৰ পৰা তেওঁৰ দ্বাৰা প্ৰাপ্ত কোনো গাৰ্হস্থ্য অত্যাচাৰৰ প্ৰতিবেদন বিবেচনা কৰিব।

(২) উপ–ধাৰা (১)ৰ অধীনত বিচৰা কোনো সাহায্যই প্ৰতিবাদীৰ দ্বাৰা সংঘটিত গাৰ্হস্থ্য অত্যাচাৰৰ কাৰ্য্যৰ দ্বাৰা কাৰিত আঘাতৰ ক্ষতিপূৰণ বা ক্ষতিৰ বাবে বাদ ৰুজু কৰিবলৈ এনে ব্যক্তিৰ অধিকাৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ ক্ষতিপূৰণ বা ক্ষতিৰ আদায়ৰ বাবে কোনো আদেশ জাৰিকৰণৰ বাবে কোনো সাহায্য অন্তৰ্ভুক্ত কৰিব পাৰেঃ

পৰন্তু য'ত ক্ষোভিত ব্যক্তিৰ অনুকূলে কোনো ন্যায়ালয়ৰ দ্বাৰা ক্ষতিপূৰণ বা ক্ষতি ৰূপে আদায়ৰ কোনো ৰাশিৰ বাবে ডিক্ৰী পাৰিত কৰা হৈছে, এই অধিনিয়মৰ অধীনত দণ্ডাধীশৰ দ্বাৰা প্ৰণীত আদেশৰ অনুসৰণত দেয় বা দিবলগীয়া ধনৰাশি, যদি কিবা থাকে, এনে ডিক্ৰীৰ অধীনত দিবলগীয়া ৰাশিৰ বিৰুদ্ধে প্ৰতিবিহিত কৰা হব আৰু ডিক্ৰী, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা তৎসময় বলবৎ কোনো আন বিধিত কোনো কথা থকা স্বত্বেও কোনো এনে প্ৰতিবিহিতৰ পিছত বাকী পৰিমাণ, যদি কিবা থাকে, নিস্পাদনযোগ্য হব। (১৯০৮ ৰ ৫)

(৩) উপ–ধাৰা (১)ৰ অধীনত প্ৰত্যেক আবেদন এনে প্ৰপত্ৰত হব আৰু এনে সবিশেষসমূহ থাকিব যিদৰে বিহিত কৰা হয় বা যিমান সোনকালে সম্ভৱ হয়।

(৪) দণ্ডাধীশে শুনানীৰ প্ৰথম তাৰিখ নিৰ্দ্ধাৰণ কৰিব, যিটো ন্যায়ালয়ৰ দ্বাৰা আবেদন প্ৰাপ্তিৰ তাৰিখৰ পৰা সাধাৰণতে তিনিদিনতকৈ বেছি নহব।

(৫) দণ্ডাধীশে, প্ৰথম শুনানীৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত উপধাৰা (১)ৰ অধীনত দিয়া প্ৰত্যেক আবেদনৰ নিস্পত্তি কৰিবলৈ প্ৰয়াস কৰিব।

সূচনা জাৰিকৰণ। ১৩। (১) ধাৰা ১২ৰ অধীনত নিৰ্দ্ধাৰিত শুনানীৰ তাৰিখৰ সূচনাখন সুৰক্ষা পদাধিকাৰীক দণ্ডাধীশৰ দ্বাৰা দিয়া হব, যিজনে দুদিনৰ অধিকতম এটা অৱধিৰ ভিতৰত বা ইয়াৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা দণ্ডাধীশৰ দ্বাৰা অনুমতি প্ৰাপ্ত কৰাৰ দৰে এনে অতিৰিক্ত যুক্তিসঙ্গত সময়ৰ ভিতৰত দণ্ডাধীশৰ দ্বাৰা নিৰ্দ্দেশিত কৰা দৰে প্ৰতিবাদী বা কোনো আন ব্যক্তিৰ ওপৰত বিহিত কৰা দৰে এনে মাধ্যমেৰে জাৰি কৰিব যিয়ে এইখন পাব।

(২) বিহিত কৰা দৰে এনে প্ৰপত্ৰত সুৰক্ষা পদাধিকাৰীৰ দ্বাৰা দিয়া সূচনাৰ জাৰিৰ ঘোষণাটো এনে এটা প্ৰমাণ হব যে এনে সূচনা দণ্ডাধীশৰ দ্বাৰা নিৰ্দ্দেশিত দৰে প্ৰতিবাদীৰ ওপৰত বা কোনো আন ব্যক্তিৰ ওপৰত জাৰি কৰা হৈছিল যদিহে বৈপৰীত প্ৰমাণ কৰা নহয়।

পৰামৰ্শ দিয়া। ১৪। (১) দণ্ডাধীশে এই অধিনিয়মৰ অধীনত কাৰ্য্যবাহীৰ যিকোনো স্তৰত বিহিত কৰা দৰে পৰামৰ্শ দিয়াৰ এনে অৰ্হতা আৰু অভিজ্ঞতা থকা সেৱাৰ উপবন্ধকাৰীৰ কোনো সদস্যৰ সৈতে পৰামৰ্শ লবলৈ অকলে বা যুটীয়াকৈ প্ৰতিবাদী বা ক্ষোভিত ব্যক্তিক নিৰ্দ্দেশ দিব পাৰে।

(২) য'ত দণ্ডাধীশে উপধাৰা (১)ৰ অধীনত কোনো নিৰ্দ্দেশ জাৰি কৰে, তেওঁ দুই মাহৰ অনধিক এটা অৱধিৰ ভিতৰত গোচৰটোৰ শুনানীৰ পৰৱৰ্তী তাৰিখ ধাৰ্য্য কৰিব।

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

কল্যাণ বিশেষজ্ঞৰ সহায়তা।

১৫। এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীত দণ্ডাধীশে এনে ব্যক্তিৰ বিশেষকৈ মহিলাৰ, যিজন ক্ষোভিত ব্যক্তিৰ সৈতে সম্বন্ধিত হওঁক বা নহওঁক, তেওঁ উচিত বুলি ভবা দৰে পৰিয়াল কল্যাণ উন্নীত কৰাত নিযুক্ত ব্যক্তিক অন্তৰ্ভুক্ত কৰি, তেওঁৰ কৃত্যবোৰ নিৰ্বহন কৰাত তেওঁক সহায়তা কৰাৰ প্ৰয়োজনাৰ্থে সেৱা সুনিশ্চিত কৰিব পাৰে।

গোপনে ৰাখিব লগীয়া কাৰ্য্যবাহী।

১৬। যদিহে দণ্ডাধীশে এনেদৰে পৰোৱানা হোৱা গোচৰৰ পৰিস্থিতি আৰু কাৰ্য্যবাহীৰ প্ৰত্যেকটো পক্ষই যদি এনেদৰে প্ৰয়াস কৰে, তেওঁ এই অধিনিয়মৰ অধীনত গুপুতে কাৰ্য্যবাহী পৰিচালনা কৰিবলৈ বিবেচনা কৰিব পাৰে।

যৌথ গৃহস্থালিত বাস কৰিবলৈ অধিকাৰ।

১৭। (১) তৎসময় বলবৎ কোনো আন বিধিত কোনো কথা থকা স্বত্বেও, গাৰ্হস্থ্য সম্বন্ধত থকা প্ৰত্যেক মহিলাৰ যৌথ গৃহস্থালিত বাস কৰিবলৈ অধিকাৰ থাকিব, তাত তেওঁৰ কোনো অধিকাৰ, হক বা হিতকাৰী স্বাৰ্থ থাকক বা নাথাকক বাস কৰিবলৈ অধিকাৰ থাকিব।

(২) ক্ষোভিত ব্যক্তিক বিধিৰ দ্বাৰা স্থাপিত প্ৰক্ৰিয়াৰ অনুসাৰ ব্যতিৰেকে যৌথ গৃহস্থালি বা তাৰ কোনো অংশৰ পৰা প্ৰতিবাদীৰ দ্বাৰা উচ্ছেদ বা বহিষ্কৃত কৰা নহব।

সুৰক্ষা আদেশ।

১৮। দণ্ডাধীশে ক্ষোভিত ব্যক্তি আৰু প্ৰতিবাদীক শুনানীৰ এটা সুযোগ দিয়াৰ পিচত আৰু প্ৰাথমিক সাক্ষ্যত সন্তুষ্ট হয় যে গাৰ্হস্থ্য অত্যাচাৰ ঘটিত হৈছে বা ঘটিত হোৱাৰ সম্ভাৱনা আছে, তেওঁ ক্ষোভিত ব্যক্তিৰ অনুকূলে এটা সুৰক্ষাৰ আদেশ পাৰিত কৰিব আৰু প্ৰতিবাদীক নিম্নলিখিতসমূহৰ দ্বাৰা নিষিদ্ধ কৰিব –

(ক) গাৰ্হস্থ্য অত্যাচাৰৰ কোনো কাৰ্য্য সংঘটিত কৰা ;

(খ) গাৰ্হস্থ্য অত্যাচাৰৰ কাৰ্য্যৰ সংঘটনত সহায়তা কৰা বা অপপ্ৰেৰণা দিয়া ;

(গ) ক্ষোভিত ব্যক্তিৰ নিয়োজনৰ স্থানত প্ৰৱেশ কৰা বা, যদি ক্ষোভিত ব্যক্তি এজন শিশু হয়, তেওঁ পঢ়াশালীত প্ৰৱেশ কৰা বা ক্ষোভিত ব্যক্তিয়ে সঘনে অহাযোৱা কৰা কোনো আন স্থানত প্ৰৱেশ কৰা ;

(ঘ) ব্যক্তিগত, মৌখিক বা লিখিত বা ইলেকট্ৰ'নিক বা দূৰভাষ সংযোগ অন্তৰ্ভুক্ত কৰি, যি কোনো প্ৰকাৰেই হওঁক ক্ষোভিত ব্যক্তিক যোগাযোগ কৰিবলৈ চেষ্টা কৰা ;

(ঙ) দণ্ডাধীশৰ অনুমতি বিনা হয় উভয় পক্ষসমূহ যুটীয়াভাৱে বা তেওঁলোকৰ দ্বাৰা পৃথকভাৱে ধাৰণ কৰা তেওঁৰ স্ত্ৰীধন বা কোনো আন সম্পত্তি অন্তৰ্ভুক্ত কৰি ক্ষোভিত ব্যক্তি আৰু প্ৰতিবাদীৰ দ্বাৰা যুটীয়াভাৱে বা অকলে প্ৰতিবাদীৰ দ্বাৰা উভয় পক্ষই কোনো পৰিসম্পত্তি হস্তান্তৰ কৰা, বা ব্যৱহাৰ কৰা বা ধাৰণ কৰা, উপভোগ কৰা, বেঙ্ক ল'কাৰ বা বেঙ্ক হিচাপ প্ৰৱৰ্ত্তন কৰা ;

(চ) ক্ষোভিত ব্যক্তিক গাৰ্হস্থ্য অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ সহায়তা কৰা কোনো নিৰ্ভৰশীল ব্যক্তি, আন আত্মীয় বা কোনো ব্যক্তিক অত্যাচাৰ কৰা ;

(ছ) সুৰক্ষা আদেশত বিনিৰ্দ্দিষ্ট কৰা এনে আন কাৰ্য্যৰ সংঘটন কৰা।

নিবাস আদেশ।

১৯। (১) যেতিয়া ধাৰা ১২ৰ উপধাৰা (১) অধীনত কোনো আদেশৰ নিষ্পত্তি চলি থাকে দণ্ডাধীশে, গাৰ্হস্থ্য অত্যাচাৰ সংঘটিত হোৱা বুলি সন্তুষ্ট হোৱাত –

(ক) প্ৰতিবাদীৰ যৌথ গৃহস্থালিত বৈধ বা নিৰপেক্ষ স্বাৰ্থ থাকক বা নাথাকক যৌথ গৃহস্থালিৰ পৰা, উচ্ছেদ কৰা বা কোনো আন ৰীতিৰে ক্ষোভিত ব্যক্তিৰ দখলক ব্যাঘাত জন্মোৱা কোনো প্ৰতিবাদীক বেদখলৰ পৰা বিৰত ৰাখি এটা নিবাস আদেশ পাৰিত কৰিব পাৰে ;

(খ) যৌথ গৃহস্থালিৰ পৰা তেওঁ নিজকে অপসাৰণ কৰিবলৈ প্ৰতিবাদীক নিৰ্দ্দেশ দি এটা নিবাস আদেশ পাৰিত কৰিব পাৰে ;

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

(গ) ক্ষোভিত ব্যক্তি বসবাস কৰা যৌথ গৃহস্থালিৰ কোনো অংশত প্ৰৱেশৰ পৰা কোনো প্ৰতিবাদী বা তেওঁৰ কোনো আত্মীয়ক বিৰত ৰাখি এটা নিবাস আদেশ পাৰিত কৰিব পাৰে ;

(ঘ) যৌথ গৃহস্থালিৰ হস্তান্তৰকৰণ বা নিস্পত্তিকৰণ বা ইয়াৰ দায়গ্ৰস্তকৰণৰ পৰা প্ৰতিবাদীক বিৰত ৰাখি এটা নিবাস আদেশ পাৰিত কৰিব পাৰে ;

(ঙ) দণ্ডাধীশৰ অনুমতি ব্যতিৰেকে যৌথ গৃহস্থালিত তেওঁৰ অধিকাৰ পৰিত্যাগ কৰাৰ পৰা প্ৰতিবাদীক বিৰত ৰাখি এটা নিবাস আদেশ কৰিব পাৰে ; বা

(চ) ক্ষোভিত ব্যক্তিৰ বাবে সমপৰ্য্যায়ৰ বিকল্প সা–সুবিধা সুনিশ্চিত কৰিবলৈ যিদৰে তেওঁ যৌথ গৃহস্থালিত উপভোগ কৰে বা তাৰ বাবে ভাড়া আদায় দিবলৈ প্ৰতিবাদীক নিৰ্দ্দেশ দিব, যদিহে পৰিস্থিতিয়ে এনেদৰে অপেক্ষা কৰে ঃ

পৰন্তু খণ্ড (খ)ৰ অধীনত কোনো আদেশ কোনো ব্যক্তিৰ বিৰুদ্ধে পাৰিত কৰা নহব যি, এগৰাকী মহিলা হয়।

(২) দণ্ডাধীশে কোনো অতিৰিক্ত চৰ্ত্তাৱলী আৰোপ কৰিব বা আন কোনো নিৰ্দ্দেশ পাৰিত কৰিব পাৰে যিটো তেওঁ, ক্ষোভিত ব্যক্তি বা কোনো ক্ষোভিত ব্যক্তিৰ কোনো শিশুক সুৰক্ষিত কৰিবলৈ বা ব্যৱস্থা কৰিবলৈ যুক্তিসঙ্গত ভাবে আৱশ্যক বুলি গণ্য কৰে।

(৩) দণ্ডাধীশে, গাৰ্হস্থ্য অত্যাচাৰৰ সংঘটন বাৰণ কৰিবলৈ প্ৰতিভূ সহ বা নোহোৱাকৈ এখন খতপত্ৰ নিষ্পাদন কৰিবলৈ প্ৰতিবাদীৰ পৰা অপেক্ষা কৰিব পাৰে।

১৯৭৪ ৰ ২ (৪) উপধাৰা (৩) ৰ অধীনত কোনো আদেশক দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধ্যায় VIII ৰ অধীনত এটা আদেশ বুলি গণ্য কৰা হব আৰু তদনুসাৰে কাৰ্য্যকৰী হব।

(৫) যেতিয়া উপধাৰা (১), উপধাৰা (২) বা উপধাৰা (৩)ৰ অধীনত কোনো আদেশ পাৰিত কৰা হয় ন্যায়ালয়ে, নিকটতম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত পদাধিকাৰীক, আদেশৰ প্ৰয়োগত ক্ষোভিত ব্যক্তিক সুৰক্ষা দিবলৈ তেওঁক বা আদেশৰ প্ৰয়োগত তেওঁৰ হকে আবেদন কৰা ব্যক্তিজনক সহায় কৰিবলৈ নিৰ্দ্দেশ দি এটা আদেশ পাৰিত কৰিব পাৰে।

(৬) যেতিয়া উপধাৰা (১)ৰ অধীনত কোনো আদেশ দিয়া হয়, দণ্ডাধীশে, পক্ষসমূহৰ বিত্তীয় আৱশ্যকতা আৰু উৎসক অৱধানত ৰাখি ভাড়া আৰু আন আদায়ৰ নিৰ্বহন সম্বন্ধত থকা বাধ্যতা প্ৰতিবাদীৰ ওপৰত আৰোপ কৰিব পাৰে।

(৭) দণ্ডাধীশে আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত পদাধিকাৰীক নিৰ্দ্দেশ দিব পাৰে যাৰ অধিকাৰিতাত দণ্ডাধীশৰ ওচৰত সুৰক্ষাৰ আদেশৰ প্ৰয়োগত সহায় কৰিবলৈ আগবাঢ়ি অহা হৈছে।

(৮) দণ্ডাধীশে ক্ষোভিত ব্যক্তিৰ দখলৰ পৰা তেওঁৰ স্ত্ৰীধনৰ, বা আনকোনো সম্পত্তি বা মূল্যবান প্ৰতিভূতি যিটোৰ বাবে তেওঁ হকদাৰ হয়, ঘূৰাই দিবলৈ প্ৰতিবাদীক নিৰ্দ্দেশ দিব পাৰে।

আৰ্থিক সাহায্য। ২০। যেতিয়া ধাৰা ১২ ৰ উপধাৰা (১) ৰ অধীনত কোনো আবেদন নিস্পত্তি কৰা হয়, দণ্ডাধীশে, গাৰ্হস্থ্য অত্যাচাৰৰ ফলস্বৰূপে ক্ষোভিত ব্যক্তি আৰু ক্ষোভিত ব্যক্তিৰ কোনো শিশুৰ দ্বাৰা উপগত ব্যয় আৰু লোকচান বহন কৰিবলৈ আৰ্থিক সাহায্য আদায় দিবলৈ প্ৰতিবাদীক নিৰ্দ্দেশ দিব পাৰে আৰু এনে সাহায্যই, নিম্নলিখিতসমূহ অন্তৰ্ভুক্ত কৰিব কিন্তু সীমিত নকৰিব –

(ক) উপাৰ্জ্জনৰ ক্ষতি,

(খ) চিকিৎসা ব্যয়,

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

(গ) ক্ষোভিত ব্যক্তিৰ নিয়ন্ত্ৰণৰ পৰা কোনো সম্পত্তিৰ ধ্বংস, ক্ষতি বা অপসাৰণৰ বাবে হোৱা শোধ্য ক্ষতি ; আৰু

১৯৭৪ ৰ ২ (ঘ) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১২৫ৰ অধীনত বা তৎসময় বলবৎ কোনো বিধিৰ অধীনত ৰক্ষণাবেক্ষণৰ কোনো আদেশৰ অধীনত বা অতিৰিক্ত কোনো এটা আদেশ অন্তৰ্ভুক্ত কৰি, যদি কিবা থাকে, ক্ষোভিত ব্যক্তি আৰু তেওঁৰ শিশুৰ বাবে ৰক্ষণাবেক্ষণ।

(২) এই ধাৰাৰ অধীনত মঞ্জুৰ কৰা আৰ্থিক সাহায্য পৰ্য্যাপ্ত, উচিত আৰু যুক্তিসঙ্গত আৰু জীৱন নিৰ্বাহৰ মানদণ্ডৰ সৈতে সংগতি থকা হব যিটোত ক্ষোভিত ব্যক্তি অভ্যস্ত হয় ।

(৩) দণ্ডাধীশৰ ৰক্ষণাবেক্ষনৰ সমুচিত আদায় বা মাহেকীয়া আদায় দিবলৈ এটা আদেশ দিবলৈ ক্ষমতা থাকিব যিদৰে গোচৰটোৰ প্ৰকৃতি আৰু পৰিস্থিতিয়ে অপেক্ষা কৰে।

(৪) দণ্ডাধীশে আবেদন কৰা পক্ষসমূহলৈ আৰু স্থানীয় সীমাৰ ভিতৰত থকা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ, যাৰ অধিকাৰিতাত প্ৰতিবাদী বসবাস কৰে, উপধাৰা (১)ৰ অধীনত প্ৰণীত আৰ্থিক সাহায্যৰ বাবে দিয়া আদেশৰ এটা প্ৰতিলিপি প্ৰেৰণ কৰিব ।

(৫) প্ৰতিবাদীয়ে,উপধাৰা (১)ৰ অধীনত আদেশত বিনিৰ্দ্দিষ্ট কৰা অৱধিৰ ভিতৰত ক্ষোভিত ব্যক্তিক মঞ্জুৰ কৰা আৰ্থিক সাহায্যৰ আদায় দিব ।

(৬) উপধাৰা (১)ৰ অধীনত আদেশৰ নিবন্ধনত প্ৰতিবাদীৰ পক্ষে আদায় দিবলৈ অসফল হোৱাত, দণ্ডাধীশে ক্ষোভিত ব্যক্তিক প্ৰত্যক্ষভাৱে আদায় দিবলৈ বা প্ৰতিবাদীৰ ধাৰৰ বাবে মঞ্জুৰী, বা দৰমহা বা শোধ্য ঋণৰ বা জমাৰ বৃদ্ধি ন্যায়ালয়ত জমা দিবলৈ প্ৰতিবাদীৰ নিয়োজক বা ধৰুৱাক নিৰ্দ্দেশ দিব পাৰে, যিটো পৰিমাণ প্ৰতিবাদীৰ দ্বাৰা দেয় আৰ্থিক সাহায্যৰ হিচাবত সমঘোষিত হব ।

অভিৰক্ষৰ আদেশ। ২১। তৎসময় বলবৎ আন কোনো বিধিত কোনো কথা থকা স্বত্বেও, দণ্ডাধীশে, এই অধিনিয়মৰ অধীনত সুৰক্ষা আদেশৰ বাবে বা আন কোনো সাহায্যৰ বাবে আবেদনৰ শুনানীৰ কোনো অৱস্থাত ক্ষোভিত ব্যক্তি বা তেওঁৰ হকে আবেদনত কৰা কোনো ব্যক্তিৰ কোনো শিশু বা শিশুসকলৰ অস্থায়ী অভিৰক্ষা মঞ্জুৰ কৰিব পাৰে আৰু যদি আৱশ্যক হয়, প্ৰতিবাদীৰ দ্বাৰা এনে শিশু বা শিশুসকলৰ সাক্ষাৎৰ বাবে ব্যৱস্থা বিনিৰ্দ্দিষ্ট কৰিব পাৰে ঃ

পৰন্তু যদি দণ্ডাধীশৰ মত হয় যে প্ৰতিবাদীৰ কোনো সাক্ষাৎ শিশু বা শিশুসকলৰ স্বাৰ্থত ক্ষতিকাৰক হয়, দণ্ডাধীশে এনে সাক্ষাৎৰ অনুমতি দিবলৈ অস্বীকাৰ কৰিব।

ক্ষতিপূৰণ আদেশ। ২২। এই অধিনিয়মৰ অধীনত এনেদৰে মঞ্জুৰ কৰা কোনো অতিৰিক্ত আৰ্থিক সাহায্য দণ্ডাধীশে ক্ষোভিত ব্যক্তিৰ দ্বাৰা দিয়া কোনো আবেদনৰ ওপৰত সেই প্ৰতিবাদীৰ দ্বাৰা সংঘটিত কৰা গাৰ্হস্থ্য অত্যাচাৰৰ কোনো কাৰ্য্যৰ দ্বাৰা কাৰিত মানসিক অশান্তি আৰু আবেগিক যাতনাক অন্তৰ্ভুক্ত কৰি এনে ক্ষতিৰ বাবে ক্ষতিপূৰণ আৰু ক্ষয় ক্ষতিৰ আদায় দিবলৈ প্ৰতিবাদীক নিৰ্দ্দেশ দি এটা আদেশ পাৰিত কৰিব পাৰে।

আন্তঃকালীন আৰু একপক্ষীয় আদেশ মঞ্জুৰ কৰিবলৈ ক্ষমতা। ২৩। (১) এই অধিনিয়মৰ অধীনত তেওঁৰ সমক্ষত কোনো কাৰ্য্যবাহীত, দণ্ডাধীশে এনে আন্তঃকালীন মঞ্জুৰীৰ আদেশ পাৰিত কৰিব পাৰে যিদৰে তেওঁ নায্য আৰু সঠিক বুলি গণ্য কৰে।

(২) যদি দণ্ডাধীশে, প্ৰতিবাদীয়ে গাৰ্হস্থ্য অত্যাচাৰৰ কোনো কাৰ্য্য সংঘটিত কৰি আছে বা কৰিছে বুলি বা প্ৰতিবাদীয়ে অত্যাচাৰৰ কোনো কাৰ্য্য সংঘটিত কৰাৰ সম্ভাৱনা থকা বুলি আবেদনৰ প্ৰাথমিক সাক্ষ্য প্ৰকাশ হোৱা বুলি সন্তুষ্ট হয়, তেওঁ ধাৰা ১৮, ধাৰা ১৯, ধাৰা ২০, ধাৰা ২১ বা যথাস্থিতি ধাৰা ২২ৰ অধীনত প্ৰতিবাদীৰ বিৰুদ্ধে ক্ষোভিত ব্যক্তিয়ে বিহিত কৰা, এনে প্ৰপত্ৰত শপতনামাৰ ভিত্তিত এটা একপক্ষীয় আদেশ মঞ্জুৰ কৰিব পাৰে।

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

ন্যায়ালয়ে বিনামূল্যে আদেশৰ প্ৰতিলিপি দিব।

২৪। দণ্ডাধীশে সকলো গোচৰত য'ত তেওঁ এই অধিনিয়মৰ অধীনত কোনো আদেশ পাৰিত কৰিছে, এনে আদেশৰ প্ৰতিলিপি, আবেদন কৰা পক্ষসমূহলৈ, আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী পদাধিকাৰীলৈ আৰু সেই দণ্ডাধীশৰ অধিকাৰিতাৰ ভিতৰত পৰা আৰক্ষী থানাৰ আৰু ন্যায়ালয়ৰ অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত অৱস্থিত কোনো সেৱা উপবন্ধকাৰীলৈ আৰু যদিহে কোনো সেৱা উপবন্ধকাৰীয়ে এটা গাৰ্হস্থ্য ঘটনাৰ প্ৰতিবেদন পঞ্জীয়ন কৰিছে, সেই সেৱা উপবন্ধকাৰীলৈ বিনামূল্যে দিয়া হব।

আদেশৰ কালাৱধি আৰু পৰিৱৰ্ত্তন।

২৫। (১) ধাৰা ১৮ৰ অধীনত কৰা কোনো সুৰক্ষা আদেশ, ক্ষোভিত ব্যক্তিয়ে নিৰ্বহনৰ বাবে আবেদন কৰালৈকে বলবৎ থাকিব।

(২) যদি দণ্ডাধীশে ক্ষোভিত ব্যক্তি বা প্ৰতিবাদীৰ কোনো আবেদনৰ প্ৰাপ্তিত সন্তুষ্ট হয় যে, এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো আদেশৰ পৰিৱৰ্ত্তন, সালসলনি বা প্ৰত্যাহাৰ অপেক্ষা কৰি পৰিস্থিতিসমূহত কোনো পৰিৱৰ্ত্তন হৈছে, তেওঁ লিখিতভাৱে অভিলেখিত কৰিবলগীয়া কাৰণৰ বাবে এনে আদেশ পাৰিত কৰিব পাৰে যিদৰে তেওঁ সমুচিত বুলি গণ্য কৰে।

আন বাদ আৰু বিধিক কাৰ্য্যবাহীৰ সাহায্য।

২৬। ধাৰা ১৮, ১৯, ২০, ২১ আৰু ২২ৰ অধীনত ক্ষোভিত ব্যক্তি বা প্ৰতিবাদীক প্ৰভাৱিত কৰা যি কোনো সহজলভ্য সাহায্য, চিভিল ন্যায়ালয়, পাৰিবাৰিক ন্যায়ালয় বা দাণ্ডিক ন্যায়ালয়ত কোনো বিধিক কাৰ্য্যবাহী বিচাৰিবওঁ পাৰে, এনে কাৰ্য্যবাহীক এই অধিনিয়মৰ আৰম্ভৰ আগতেই বা পিচতেই গৃহীত হওঁক বা নহওঁক।

(২) উপধাৰা (১)ত নিৰ্দ্দেশিত কোনো সাহায্য, ক্ষোভিত ব্যক্তিয়ে কোনো আন সাহায্যৰ অতিৰিক্ত আৰু আন সাহায্য সহ কোনো চিভিল বা দাণ্ডিক ন্যায়ালয়ত এনে বাদ বা বিধিক কাৰ্য্যবাহীত বিচাৰিব পাৰে।

(৩) যদিহে, কোনো সাহায্য, এই অধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীৰ ভিন্ন আন কোনো কাৰ্য্যবাহীত ক্ষোভিত ব্যক্তিৰ দ্বাৰা লাভ কৰা হৈছে তেওঁ দণ্ডাধীশক এনে সাহায্য মঞ্জুৰীৰ সূচনা দিবলৈ তেওঁ বাধ্য হব।

অধিকাৰিতা।

২৭। (১) প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ, বা যথাস্থিতি মহানগৰ দণ্ডাধীশৰ ন্যায়ালয়, যাৰ স্থানীয় সীমাৰ ভিতৰত –

(ক) ক্ষোভিত ব্যক্তিয়ে স্থায়ী বা অস্থায়ীভাৱে বাস কৰে বা ব্যৱসায় চলায় বা নিয়োজিত হয় ; বা

(খ) প্ৰতিবাদীয়ে বাস কৰে বা ব্যৱসায় চলায় বা নিয়োজিত হয় ; বা

(গ) বাদৰ হেতু উদ্ভৱ হয়, এই অধিনিয়মৰ অধীনত সুৰক্ষা আদেশ আৰু আন আদেশসমূহ মঞ্জুৰ কৰিবলৈ আৰু এই অধিনিয়মৰ অধীনত অপৰাধৰ বিচাৰ কৰিবলৈ, ক্ষমতাযুক্ত ন্যায়ালয় হব।

(২) এই অধিনিয়মৰ অধীনত কৰা যি কোনো আদেশ সমগ্ৰ ভাৰততে বলবৎ হব।

প্ৰক্ৰিয়া। ১৯৭৪ ৰ ২

২৮। (১) এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যতিৰেকে ধাৰা ১২, ১৮, ১৯, ২০, ২১, ২২ আৰু ২৩ৰ অধীনৰ সকলো কাৰ্য্যবাহী আৰু ধাৰা ৩১ৰ অধীনৰ অপৰাধসমূহ দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ৰ উপবন্ধাৱলীৰ দ্বাৰা পৰিচালিত কৰা হব।

(২) উপধাৰা (১)ত থকা কোনো কথাই ধাৰা১২ৰ অধীনত বা ধাৰা ২৩ৰ উপধাৰা (২)ৰ অধীনত আবেদনৰ নিষ্পত্তিৰ বাবে ইয়াৰ নিজা প্ৰক্ৰিয়া প্ৰণয়ন কৰিবলৈ ন্যায়ালয়ক বাধা নিদিব।

আপীল।

২৯। দণ্ডাধীশৰ দ্বাৰা প্ৰণীত আদেশৰ এনে তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত চেছন ন্যায়ালয়ত আপীল চলিব যিটো যি তাৰিখত ক্ষোভিত ব্যক্তি বা যথাস্থিতি প্ৰতিবাদীৰ ওপৰত জাৰী কৰা হয়, যিটোৰেই পিছত হয়।

## গাৰ্হস্থ্য অত্যাচাৰৰ পৰা মহিলাৰ সুৰক্ষা অধিনিয়ম, ২০০৫

### অধ্যায় – V
### বিবিধ

সুৰক্ষা পদাধিকাৰী আৰু সেৱা উপবন্ধকাৰীৰ সদস্য সকল লোকসেৱক হব।
১৮৬০ ৰ ৪৫

৩০। সুৰক্ষা পদাধিকাৰী আৰু সেৱা উপবন্ধকাৰীৰ সদস্যসকল, যেতিয়া এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলী বা আদেশৰ অনুসৰণত, কাৰ্য্য কৰি থাকে বা কাৰ্য্য কৰিবলৈ তাৎপৰ্য্যিত হয়, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য হব।

প্ৰতিবাদীৰ দ্বাৰা সুৰক্ষা আদেশৰ ভংগৰ বাবে দণ্ড।

৩১। (১) প্ৰতিবাদীৰ দ্বাৰা এটা সুৰক্ষাৰ আদেশ বা এটা অন্তঃকালীন সুৰক্ষা আদেশৰ ভঙ্গৰ, এই অধিনিয়মৰ অধীনত এটা অপৰাধ হব আৰু এটা অৱধিৰ বাবে কাৰাবাসেৰে, যিটো এবছৰলৈকে বিস্তৃত হব পাৰে বা জৰিমণাসহ যিটো বিশ হাজাৰ টকালৈকে বিস্তৃত হব পাৰে বা উভয়েৰে দণ্ডনীয় হব।

(২) উপধাৰা (১)ৰ অধীনত অপৰাধসমূহ, যিমানদূৰ প্ৰয়োগযোগ্য, দণ্ডাধীশৰ দ্বাৰা বিচাৰ কৰা হব, যিজনে আদেশ পাৰিত কৰিছিল, যিটোৰ ভঙ্গকৰণ অভিযুক্তৰ দ্বাৰা কাৰিত কৰা বুলি অভিকথিত হৈছে।

১৮৬০ ৰ ৪৫
১৯৬১ ৰ ২৮

(৩) যেতিয়া উপধাৰা (১)ৰ অধীনত অভিযোগ নিবন্ধ কৰি থকা হয়, দণ্ডাধীশে, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৪৯৮কৰ বা সেই সংহিতাৰ আন কোনো উপৱন্ধ বা যথাস্থিতি, যৌতুক নিষিদ্ধ অধিনিয়ম, ১৯৬১ৰ অধীনতো অভিযোগ নিবন্ধ কৰিব পাৰে, যদিহে কোনো তথ্যই, সেই উপবন্ধাৱলীৰ অধীনত এটা অপৰাধ, সংঘটনৰ প্ৰকট কৰে।

সংজ্ঞান আৰু প্ৰমাণ।
১৯৭৪ ৰ ২

৩২। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ত কোনো কথা থকা স্বত্বেও, ধাৰা ৩১ ৰ উপধাৰা (১)ৰ অধীনত কৰা অপৰাধ সংজ্ঞেয় আৰু অ–জামিনযোগ্য হব।

(২) ক্ষোভিত ব্যক্তিৰ একমাত্ৰ পৰিসাক্ষ্যৰ ওপৰত ন্যায়ালয়ে, ধাৰা ৩১ৰ উপধাৰা (১)ৰ অধীনত অপৰাধ অভিযুক্তৰ দ্বাৰা সংঘটিত কৰা হৈছে বুলি সমাপ্তি কৰিব পাৰে।

সুৰক্ষা পদাধিকাৰীৰ দ্বাৰা কৰ্ত্তব্য নিৰ্বহন নকৰাৰ বাবে দণ্ড।

৩৩। যদি কোনো সুৰক্ষা পদাধিকাৰী পৰ্য্যাপ্ত কাৰণৰ বিনা সুৰক্ষা আদেশত দণ্ডাধীশৰ দ্বাৰা নিৰ্দেশিত কৰা দৰে তেওঁ কৰ্ত্তব্যসমূহৰ নিবৰ্হন কৰিবলৈ অসফল হয় বা অস্বীকাৰ কৰে, তেওঁ এটা অৱধিৰ বাবে এটা কাৰাবাসেৰে যিটো এবছৰলৈ বিস্তৃত হব পাৰে বা জৰিমনাসহ যিটো বিশহাজাৰলৈকে বিস্তৃত হব পাৰে বা উভয়েৰে দণ্ডনীয় হব।

সুৰক্ষা পদাধিকাৰীৰ দ্বাৰা সংঘটিত অপৰাধৰ সংজ্ঞান।

৩৪। কোনো অভিযোগ বা আন বিধিক কাৰ্য্যবাহী, সুৰক্ষা পদাধিকাৰীৰ বিৰুদ্ধে কৰা নহব যদিহে অভিযোগটো ৰাজ্য চৰকাৰ বা এই মৰ্ম্মে ইয়াৰ দ্বাৰা প্ৰাধিকৃত কোনো পদাধিকাৰীৰ পূৰ্ব সংমোদন সহ দাখিল কৰা নহয়।

সদ্ বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা।

৩৫। কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী, কোনো কাৰ্য্যৰ দ্বাৰা কাৰিত হোৱা বা কাৰিত হবলৈ সম্ভাৱনা থকা কোনো ক্ষতিৰ বাবে, সুৰক্ষা পদাধিকাৰীৰ বিৰুদ্ধে নচলিব যিটো এই অধিনিয়মৰ অধীনত বা ইয়াৰ অধীনত প্ৰণীত কৰা নিয়ম বা আদেশৰ অধীনত কোনো সদ্ বিশ্বাসত কৰা হৈছে বা কৰা বুলি অভিপ্ৰেত।

আন কোনো বিধিৰ অল্পীকৰণ নকৰা কাৰ্য্য।

৩৬। এই অধিনিয়মৰ উপৱন্ধাৱলী আৰু তৎসময় বলবৎ আন কোনো বিধিৰ উপৱন্ধাৱলীৰ অতিৰিক্ত হব কিন্তু অল্পীকৰণ নহব।

কেন্দ্ৰীয় চৰকাৰৰ নিয়ম প্ৰণয়নৰ ক্ষমতা।

৩৭। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী সম্পন্ন কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপৱন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ –

(ক) অৰ্হতা আৰু অভিজ্ঞতা যিটো সুৰক্ষা পদাধিকাৰীয়ে ধাৰা ৮ৰ উপধাৰা (২) ৰ অধীনত আয়ত্ত কৰে ;

(খ) ধাৰা ৮ৰ উপধাৰা (৩)ৰ অধীনত সুৰক্ষা পদাধিকাৰী আৰু তেওঁৰ অধীনস্থ আন পদাধিকাৰীৰ সেৱাৰ নিৰন্ধন আৰু চৰ্ত্তাৱলী ;

(গ) এনে প্ৰপত্ৰ আৰু ৰীতি, য'ত গাৰ্হস্থ্য ঘটনাৰ প্ৰতিবেদন ধাৰা ৯ৰ উপধাৰা (১)ৰ খণ্ড (খ)ত দিয়া হয় ;

(ঘ) এনে প্ৰপত্ৰ আৰু ৰীতি য'ত সুৰক্ষা আদেশৰ বাবে কৰা আবেদন, ধাৰা ৯ৰ উপধাৰা (১)ৰ খণ্ড (গ)ৰ অধীনত দণ্ডাধীশলৈ কৰিব পাৰে ;

(ঙ) এখন প্ৰপত্ৰ য'ত কোনো অভিযোগ ধাৰা ৯ৰ উপধাৰা (১)ৰ খণ্ড (ঘ)ৰ অধীনত দাখিল কৰা হয় ;

(চ) ধাৰা ৯ৰ উপধাৰা (১)ৰ খণ্ড (ঝ)ৰ অধীনত সুৰক্ষা পদাধিকাৰীৰ দ্বাৰা সম্পাদন কৰিবলগীয়া আন কৰ্ত্তব্যসমূহ ;

(ছ) ধাৰা ১০ৰ উপধাৰা (১)ৰ অধীনত সেৱা উপৰন্ধকাৰীৰ পঞ্জীয়ন ৰিনিয়মিত কৰা নিয়মাৱলী;

(জ) এনে প্ৰপত্ৰ য'ত এই অধিনিয়মৰ অধীনত সাহায্য বিচাৰি ধাৰা ১২ৰ উপধাৰা (১)ৰ অধীনত কোনো আবেদন দিয়া হয় আৰু সবিশেষসমূহ যিটোৰ এনে আবেদনত, সেই ধাৰাৰ উপধাৰা (৩)ৰ অধীনত অন্তৰ্বিষ্ট হব ;

(ঝ) ধাৰা ১৩ৰ উপধাৰা (১)ৰ অধীনত সূচনা জাৰিৰ ব্যৱস্থা ;

(ঞ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ অধীনত সুৰক্ষা পদাধিকাৰীৰ দ্বাৰা দিবলগীয়া সূচনাৰ জাৰিকৰণ ঘোষনাৰ প্ৰপত্ৰ ;

(ট) পৰামৰ্শ দিয়াৰ অৰ্হতা আৰু অভিজ্ঞতা, যিটো উপবন্ধকাৰীৰ কোনো সদস্যৰ ধাৰা ১৪ৰ উপধাৰা (১) অধীনত দখল থাকিব ;

(ঠ) এনে প্ৰপত্ৰ য'ত কোনো শপতনামা, ধাৰা ২৩ৰ উপধাৰা (২)ৰ অধীনত ক্ষোভিত ব্যক্তিৰ দ্বাৰা দাখিল কৰা হব ;

(ড) আন কোনো বিষয় যিটো বিহিত কৰা হয় বা বিহিত কৰিব পাৰি।

(৩) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে অধিৱেশন চলি থকাৰ সময়ত, এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হব আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহৃত পৰৱৰ্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনৰ অৱসানৰ পূৰ্বে, উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদন সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিচত নিয়ম যথাস্থিতি এনে সাল সলনিৰ ৰূপত প্ৰভাৱী হব বা একেবাৰে প্ৰভাৱহীন হব ; সেয়ে হলেও এনে সলনি বা বদকৰণে সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব।

---০০০---